# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-08-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

***- - - - - - - - - - - - - -***

HEADLIES

বিশিষ্ট নাট্যকাৰ, অভিনেতা, পৰিচালক, গীতিকাৰ হেমন্ত দত্তৰ আজি দুপৰীয়া গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৩ বছৰ। হৃদয়স্পৰ্শী কথাৰে গীত ৰচনা কৰা গীতিকাৰগৰাকীয়ে ১৯৭৭ চনত নতুন আশা নামৰ চলচ্চিত্ৰৰে অসমৰ চলচ্চিত্ৰত গীত ৰচনাৰ আৰম্ভণি কৰে। কেইবাগৰাকীও খ্যাতনামা শিল্পীয়ে তেওঁ ৰচনা কৰা পাঁচ শতাধিক গীতত কণ্ঠ দিছে। কেইবাখনো চলচ্চিত্ৰত অভিনয়, শতাধিক নাট ৰচনাৰে অসমৰ অভিনয় আৰু সাহিত্য জগতত অৱদান আগবঢ়াই যোৱা গীতিকাৰগৰাকীয়ে কেইবাখনো চলচ্চিত্ৰৰ বাবে গীত ৰচনা কৰিছিল। ভ্ৰাম্যমানৰ বাবে টাইটানিক, সেন্দুৰকে ধৰি ভালেমান কালজয়ী নাট ৰচনা আৰু পৰিচালনা কৰা দত্তক ২০১৮-১৯ বৰ্ষৰ ভৱেন্দ্ৰনাথ শইকীয়া বঁটা আৰু ২০১৮ বৰ্ষৰ গুৰুজী আদ্য শৰ্মা বঁটাৰে সন্মানিত কৰা হৈছিল। গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱন চৌহদত প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতি ৰাজ্যৰ সাংস্কৃতিক জগতৰ ভালে সংখ্যক বিশিষ্ট ব্যক্তিয়ে শেষ শ্ৰদ্ধা তৰ্পণ কৰাৰ পাছত হেমন্ত দত্তৰ নশ্বৰ দেহ তেওঁৰ পৈত্ৰিক ভূমি মঙলদৈ লৈ নিয়া হৈছে। তেওঁৰ অন্তেষ্টিক্ৰিয়া আজি নিশাৰ ভাগলৈ সম্পন্ন কৰা হ'ব বুলি পৰিয়ালৰ সূত্ৰই জনাইছে।

ooooo

অসম গণ পৰিষদৰ সভাপতি অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তই আজি নাগালেণ্ডৰ ডিমাপুৰত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী তথা নেচনেলিষ্ট ডেম'ক্ৰেটিক প্ৰগেছিভ পাৰ্টিৰ প্ৰতিষ্ঠাপক নে'ফিউ ৰিঅ'ক সাক্ষাৎ কৰে। সাক্ষাতৰ অন্তত অগপৰ সভাপতি শ্ৰীবৰাই সামাজিক মাধ্যমযোগে কয়, যে ৰিঅ'ৰ মুখ্যমন্ত্ৰিত্বৰ সময়ছোৱাত নাগালেণ্ডৰ সৈতে অসমৰ পাৰস্পৰিক সম্পৰ্ক সুদৃঢ় হৈছে। নাগালেণ্ডত শান্তি আৰু উন্নয়নৰ প্ৰতি ত্বৰান্বিত কৰাৰ দিশত ৰিঅ'ই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বুলিও অগপৰ সভাপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে অসমৰ শুভাকাংশী ৰিঅ'ৰ সৈতে বন্ধুত্বক অসম গণ পৰিষদে সদায়েই সন্মান কৰি আহিছে। চুবুৰীয়া ৰাজ্যখনৰ সৈতে সদিচ্ছাৰ বান্ধোন, আঞ্চলিক সম্প্ৰীতি বজাই ৰখাৰ ক্ষেত্ৰত অসম গণ পৰিষদে গুৰুত্ব আৰোপ কৰি আহিছে বুলি তেওঁ মন্তব্য কৰে। সাক্ষাৎকালত নাগালেণ্ডৰ উপ-মুখ্যমন্ত্ৰী টি আৰ জেলিয়াং, এন ডি পি পিৰ সভাপতি চিংগৱাং কন্যাক, উপ-সভাপতি ৰুছেমটং লংকুমাৰ উপস্থিত থাকে।

ooooo

বিটিচি পৰিষদীয় নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলসমূহে বিটিআৰত ব্যাপক তৎপৰতা বৃদ্ধি পাইছে। সমান্তৰালভাৱে বিজেপি দলেও বিটিআৰত নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিছে। প্ৰচাৰ অভিযানৰ

অংশস্বৰূপে মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই চিৰাং জিলাত দুখনকৈ সভাত অংশগ্ৰহণ কৰে। জিলাখনৰ সদৰ কাজলগাঁও আৰু নিচিমাত অনুষ্ঠিত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে এইবাৰ বিটিচিৰ ২৬টা জনগোষ্ঠীৰ লোকৰ সাংবিধানিক অধিকাৰ সুৰক্ষিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব। বিটিচিত দুখীয়া লোকৰ অধিকাৰসমূহ ৰূপায়ণ কৰাৰ বাবেও বিজেপিয়ে এইবাৰ নিৰ্বাচনত অৱতীৰ্ণ হ'ব বুলি মন্তব্য কৰে। আজিৰ সভাত মন্ত্ৰী কৌশিক ৰায়, বিজেপিৰ ৰাজ্যিক সম্পাদক পল্লৱ লোচন দাস, বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়সহ বহুকেইজন নেতা-কৰ্মী উপস্থিত থাকে।

০০০০০

স্বাধীনতা দিৱসলৈ মাজত মাথো তিনিটা দিন বাকী থকা অৱস্থাত বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। বিভিন্ন জিলাত **হৰ ঘৰ তিৰংগা** অভিযানৰ অংশৰূপে চাইকেল সমদলৰ আয়োজন কৰা হৈছে। বিভিন্ন জিলাৰ সদৰত আৰক্ষী, চি আৰ পি এফ, এন চি চি আৰু স্কাউট এণ্ড গাইডৰ ছাত্ৰ-ছাত্ৰীসকলে পেৰেডৰ অনুশীলন কৰা পৰিলক্ষিত হৈছে। ইফালে গুৱাহাটীৰ চানমাৰিত অৱস্থিত অসম ৰাজ্যিক খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডে ৫ হাজাৰ জাতীয় পতাকা প্ৰস্তুত কৰাৰ কাম প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। এই সন্দৰ্ভত খাদী ব'ৰ্ডৰ বিপণন শাখাৰ ভাৰপ্ৰাপ্ত বিষয়া বেঞ্জামিন ৰংমায়ে জনোৱা অনুসৰি এইবাৰ স্বাধীনতা দিৱস উপলক্ষে প্ৰায় ২৫ লাখ টকা মূল্যৰ ভিন্ন আকাৰৰ পতাকা প্ৰস্তুতৰ কাম হাতত লোৱা হৈছে। সেই অনুসৰি ১০ গৰাকী শিপিনীয়ে ইতিমধ্যে ৫ হাজাৰ পতাকা প্ৰস্তুতৰ কাম সম্পূৰ্ণ কৰি তুলিছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকা ২৫টাকৈ খাদী ভাণ্ডাৰৰ লগতে বিভিন্ন চৰকাৰী বিভাগ, জিলা আয়ুক্তৰ কাৰ্যালয়লৈ পতাকা প্ৰেৰণ কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

গোলাঘাট জিলাৰ এ এছ আৰ এল এমৰ অন্তৰ্গত বিভিন্ন আত্মসহায়ক গোটৰ সদস্যসকলে হৰ ঘৰ তিৰংগা অভিযানৰ অধীনত হাতে বোৱা তিৰংগা বিক্ৰী কৰাৰ কাম আৰম্ভ কৰিছে। ইয়াৰ বাবে বিভিন্ন বিক্ৰীকেন্দ্ৰ স্থাপন কৰাৰ লগতে বিভিন্ন কাৰ্যসূচী যুগুত কৰা হৈছে। হৰ ঘৰ তিৰংগা অভিযানৰ অংশস্বৰূপে গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত আজি পুৱা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ প্ৰাংগণৰ পৰা স্বাধীনতা সমদল উলিওৱা হয়।

০০০০০

ৰাজ্যত পুনৰ ১০ খন নতুন সমজিলা সংযোজন কৰা হ'ব। কাইলৈ কামৰূপ, শোণিতপুৰ, যোৰহাট, তিনিচুকীয়া, কাছাৰ আৰু গোৱালপাৰাত সমজিলা সংযোজন কাৰ্যসূচীত কেইবাগৰাকী মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। পৰহিলৈ শোণিতপুৰ আৰু তিনিচুকীয়াত সমজিলা সংযোজনৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ লগে লগে ৰাজ্যত মুঠ সমজিলাৰ সংখ্যা ৪৯ লৈ বৃদ্ধি পাব। বিগত বৰ্ষৰ অক্টোবৰত প্ৰথম পৰ্যায়ত ৩৯ খন সমজিলা সংযোজন কৰা হৈছিল। প্ৰশাসনিক দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত উল্লেখনীয় পদক্ষেপ হিচাপে গঠন কৰা সমজিলাসমূহে ভূমি, ৰাজহ সম্পৰ্কীয় সেৱা, উন্নয়ন আৰু জনকল্যাণমূলক আঁচনি ৰূপায়ণ প্ৰশাসনিক ক্ষমতা, খাদ্য আৰু অসামৰিক যোগান ব্যৱস্থা নিশ্চিত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আঁচনিৰ সফল ৰূপায়ণ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত জনসাধাৰণক প্ৰয়োজনীয় সুবিধা লাভ কৰাত সহায় কৰিব।

০০০০০

সমাপ্ত